2022/TDC(CBCS)/EVEN/SEM/
ASMDSC/GEC-201T/058

TDC (CBCS) Even Semester Exam., 2022

ASSAMESE

( 2nd Semester )

Course No. : ASMDSC/GEC-201T

[ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আৰম্ভণিৰ পৰা জোনাকী যুগলৈ) ]

*Full Marks : 70*
*Pass Marks : 28*

*Time : 3 hours*

*The figures in the margin indicate full marks for the questions*

SECTION—A

তলৰ যি কোনো বিছটা প্ৰশ্নৰ উত্তৰ লিখা : ১×২০=২০

১। অসমীয়া সাহিত্যৰ প্ৰাচীনতম যুগটোক 'গীতিযুগ' বুলি কোনে অভিহিত কৰিছে?

২। অসমীয়া সাহিত্যৰ বুৰঞ্জীক প্ৰধানকৈ কেইটা যুগত ভাগ কৰিব পাৰি?

৩। লোকগীতৰ প্ৰধান ভাগ কেইটা?



https://www.assampapers.com



৪। অনুষ্ঠানমূলক গীতৰ এটা উদাহৰণ দিয়া।

৫। 'জিকিৰ' শব্দৰ অৰ্থ লিখা।

৬। 'হৰগৌৰী সংবাদ' গ্ৰন্থখনৰ ৰচক কোন?

৭। কবিৰত্ন সৰস্বতীয়ে পৃষ্ঠপোষকতা লাভ কৰা ৰজাজনৰ নাম কি?

৮। হৰিবৰ বিপ্ৰৰ কাব্য এখনৰ নাম লিখা।

৯। প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি বুলি কাক অভিহিত কৰা হয়?

১০। ৰজা শ্ৰীমন্ত তাম্ৰধ্বজৰ পৃষ্ঠপোষকতাত কোনজন কবিয়ে কাব্য ৰচনা কৰিছিল?

১১। শংকৰদেৱৰ দ্বাৰা ৰচিত শেষৰখন নাটৰ নাম কি?

১২। 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যখনৰ ৰচক কোন?

১৩। মাধৱদেৱৰ এখন ঝুমুৰাৰ নাম লিখা।

১৪। 'আদিকাণ্ড ৰামায়ণ'ৰ ৰচক কোন?

১৫। ৰাম সৰস্বতী কোন যুগৰ কবি?

১৬। প্ৰথম অসমীয়া মাহেকীয়া আলোচনীখনৰ নাম কি?

১৭। উইলিয়াম ব্ৰাউনে অসমীয়া ভাষাত লিখা ব্যাকৰণখনৰ নাম লিখা।



https://www.assampapers.com

১৮। 'এলোকেশী বেশ্যাৰ কথা' কোনে ৰচনা কৰিছিল?

১৯। নিধিৰাম ফাৰবেলৰ ছদ্মনাম কি?

২০। অৰুণোদয় যুগৰ অখ্রীষ্টিয়ান লেখক এজনৰ নাম লিখা।

২১। 'অসমীয়া সাহিত্য চ'ৰা' কিমান চনত গঠিত হৈছিল?

২২। লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাপুথিখনৰ নাম কি?

২৩। 'জোনাকী' আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল?

২৪। প্ৰথম অসমীয়া ছনেট পুথিখনৰ নাম কি?

২৫। 'দহিকতৰা' কবিতাপুথিখনৰ ৰচক কোন?

## SECTION—B

তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা : ২×৫=১০

২৬। লোক সাহিত্য বুলিলে কি বুজা?

২৭। নাৰী সমাজত প্ৰচলিত দুবিধ লোকগীতৰ নাম উল্লেখ কৰা।

২৮। প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

২৯। 'প্ৰহ্লাদ চৰিত্ৰ'ৰ ৰচক কোন? কাব্যখনত নৰসিংহই কাক বধ কৰিছিল?

৩০। ৰাম সৰস্বতীৰ দুখন বধকাব্যৰ নাম লিখা।



https://www.assampapers.com



৩১। 'নাম-ঘোষা'ক কিয় 'হেজাৰী ঘোষা' বোলা হয়? 'নাম ঘোষা'ৰ ৰচক কোন? ৪

৩২। অৰুণোদয়ৰ প্ৰভাৱমুক্ত লেখক দুজনৰ নাম লিখা। ৪

৩৩। 'কানীয়া-কীৰ্তন' পুথিখনৰ ৰচক কোন আৰু পুথিখন কিমান চনত প্ৰকাশ হৈছিল? ৪

৩৪। পদ্মনাথ গোহাঞিবৰুৱাৰ দুখন উপন্যাসৰ নাম লিখা। ৪

৩৫। অসমীয়া সাহিত্যত 'ৰসৰাজ' বুলি কাক অভিহিত কৰা হয়? তেওঁৰ এখন নাটকৰ নাম লিখা।

## SECTION—C

তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা : ৮×৫=

৩৬। অসমীয়া বিহুগীতৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৩৭। 'চৰ্যাপদ'ত প্ৰতিফলিত সমাজ-জীৱনৰ চিত্ৰ সম্পৰ্কে আলোচনা আগবঢ়োৱা।

৩৮। 'ৰামায়ণ'ৰ মাজেদি মাধৱ কন্দলিৰ কবি-প্ৰতিভা কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৩৯। হেম সৰস্বতীৰ কাব্যৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৪০। শংকৰদেৱৰ নাট্য-প্ৰতিভাৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

৪১। ৰাম সৰস্বতীৰ বধকাব্যৰ বিষয়ে এটি টোকা লিখা।



https://www.assampapers.com

৪২। অসমীয়া ভাষা সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৪৩। আনন্দৰাম ঢেকিয়াল ফুকনৰ সাহিত্যকৃতি সম্পৰ্কে আলোচনা কৰা।

৪৪। জোনাকী যুগৰ কবিতাৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৪৫। জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক সম্পৰ্কে চমুকৈ আলোচনা কৰা।

* * *

https://www.assampapers.com
Whatsapp @ 9300930012
Send your old paper & get 10/-
अपने पुराने पेपर्स भेजे और 10 रुपये पायें,
Paytm or Google Pay से



https://www.assampapers.com